# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-08-2026
**Time :** 2125 PM

## *Assamese Night Bulletin*

-------------------

ooooo

গ্ৰাহক পৰিক্ৰমা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰায়ে গুজৰাটৰ বিভিন্ন বিভাগৰ সৈতে জড়িত নীতি, প্ৰতিষ্ঠানিক পদ্ধতি আৰু উন্নয়নমূলক পদক্ষেপৰ অধ্যয়নৰ উদ্দেশ্যে কৰা ভ্ৰমণৰ অংশ হিচাপে আজি আহমেদাবাদত নগৰ উন্নয়ন, পৌৰ প্ৰশাসন, চেনীৰ মূল্য নিয়ন্ত্ৰণ আৰু সমবায় চেনী উদ্যোগ সন্দৰ্ভত সংশ্লিষ্ট বিভাগসমূহৰ মন্ত্ৰীসকলৰ সৈতে কেইবাখনো উচ্চপৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰথমে সাবৰমতি ৰিভাৰ ফ্ৰণ্টৰ লগতে ঐতিহাসিক অটল ব্ৰীজ পৰিদৰ্শন কৰে। তেওঁ ২২ কিলোমিটাৰ দৈৰ্ঘ্যৰ সাবৰমতি ৰিভাৰ ফ্ৰণ্ট প্ৰকল্পৰ পৰিকল্পনা, নিৰ্মাণ আৰু বিভিন্ন উপাদানৰ বুজ লয়। ইয়াৰ পাছতে মন্ত্ৰীগৰাকী সাবৰমতি ৰিভাৰ ফ্ৰণ্ট উন্নয়ন নিগম লিমিটেডৰ কাৰ্যালয়ত আহমেদাবাদ প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত কাৰিকৰী পৰিকল্পনা আৰু নক্সা, বান ব্যৱস্থাপনা, ঘৰে ঘৰে আৱৰ্জনা সংগ্ৰহ, কঠিন আৱৰ্জনা ব্যৱস্থাপনা, নাগৰিক সুবিধা আৰু সমন্বিত নগৰ উন্নয়নৰ আন দিশসমূহক লৈ আলোচনা কৰা হয়। ইয়াৰ পাছত শ্ৰীৰায়ে গুজৰাট ৰাজ্যিক চেনী কল সমবায় সংঘৰ অধ্যক্ষ ঈশ্বৰ সিং টি পেটেল আৰু গুজৰাট সমবায় চেনী খণ্ডৰ প্ৰতিনিধিসকলৰ সৈতে চেনীৰ মূল্য, ক্ৰয়, উৎপাদন আৰু বিতৰণৰ বিষয়ে বিশদভাৱে আলোচনা কৰে।

মন্ত্ৰী ৰায় গুজৰাটৰ কৃষক কল্যাণ আৰু সমবায় বিভাগ আৰু নগৰ উন্নয়ন আৰু গৃহ নিৰ্মাণ বিভাগৰ সৈতেও বৈঠকত মিলিত হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত দেশৰ সামুদ্ৰিক খণ্ডৰ দ্ৰুত পৰিৱৰ্তন হোৱা বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় জাহাজ চলাচল পৰিষদে নতুন দিল্লীত আয়োজন কৰা সাগৰ সংবাদ শীৰ্ষক আলোচনাৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰীসোণোৱালে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে নতুন ব্যৱসায়িক জাহাজ পৰিবহন আইন ২০২৫-এ ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ সপোন বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

বাইট (সোণোৱাল)

মন্ত্ৰীগৰাকীয়ে কয় যে নিজস্ব বাণিজ্যিক পথৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ অনা আৰু বিদেশী সামগ্ৰী পৰিবহন মাচুল হ্ৰাস কৰাৰ উদ্দেশ্যে এই দিনজোৰা আলোচনাত পৰৱৰ্তী পাঁচ বছৰত বাণিজ্যিক বহৰ নতুনকৈ ১০০খন জাহাজ অন্তৰ্ভুক্ত কৰাৰ পাঁচ-দফীয়া পৰিকল্পনাক লৈ আলোচনা কৰা হয়।

০০০০০

মাজবাট আৰক্ষীয়ে আজি গোপন সূত্ৰৰ পম খেদি অসম-অৰুণাচল সীমান্তৱৰ্তী জিংগাবিল অঞ্চলৰ চেগুণপালেং এলেকাত ঘন অৰণ্যত অভিযান চলাই ৩০৭ কিলোগ্ৰাম গাঞ্জা জব্দ কৰে। আৰক্ষীয়ে ঘটনা সংক্ৰান্তত তিনিজন লোকক গ্ৰেপ্তাৰ কৰে।

০০০০০০

অসমৰ মায়ংক চক্ৰৱৰ্তীয়ে মুম্বাইত অনুষ্ঠিত এছিয়ান জুনিয়ৰ ডবা প্ৰতিযোগিতাৰ লৰাৰ শাখাৰ খিতাপ দখল কৰিছে। মায়ংকে আজি সামৰণি পৰা প্ৰতিযোগিতাৰ নৱম ৰাউণ্ডৰ অন্তত ৭ দশমিক ৫ পইণ্ট অৰ্জন কৰি খিতাপ হস্তগত কৰে। ইপিনে কৰ্ণাটকক প্ৰতিনিধিত্ব কৰা অসমৰ প্ৰীতিতি বৰদলৈ ছোৱালীৰ শাখাত বিজয় সন্মান লাভ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দুয়োগৰাকী খেলুৱৈক অভিনন্দন জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে এছিয়াৰ এঘাৰখন দেশৰ প্ৰতিভাৱান খেলুৱৈৰ অংশগ্ৰহণেৰে অনুষ্ঠিত প্ৰতিযোগিতাখনত অসমৰ খেলুৱৈৰ এনে প্ৰদৰ্শনে ৰাজ্যত ক্ৰীড়া প্ৰতিভাৰ বিকাশৰ ইতিবাচক ছবি দাঙি ধৰিছে। তেওঁ কয়, যে ডবাৰ দৰে বুদ্ধিমত্তা, ধৈৰ্য্য, একাগ্ৰতা আৰু কৌশলৰ খেলত ৰাজ্যৰ যুৱ প্ৰতিভাই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিজৰ সামৰ্থ প্ৰমান কৰিবলৈ সমৰ্থ হোৱাটো সচাঁকৈ আশাব্যঞ্জক। মায়ংক আৰু প্ৰীতিতিৰ সাফল্যক ডবা খেলত অসমৰ ক্ৰমবৰ্ধমান শক্তি আৰু সম্ভাৱনাৰ প্ৰতিফলন বুলি ডং শৰ্মাই মন্তব্য কৰে।

০০০০০

শ্ৰীলংকাই ভাৰতৰ বিৰুদ্ধে কলম্বোত অনুষ্ঠিত চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেলত আজি তৃতীয় দিনৰ সামৰণিৰ পৰলৈকে প্ৰথম ইনিংছত ৮ টা উইকেট হেৰুৱাই ২৬৫ ৰান সংগ্ৰহ কৰে। দলটোৰ দুটা উইকেট বাকী থকা অৱস্থাত ভাৰতৰ প্ৰথম ইনিংছতকৈ ২৩৮ ৰানত পিছপৰি আছে। ইয়াৰ পূৰ্বে ভাৰতে ৯ টা উইকেটৰ বিনিময়ত ৫০৩ ৰান কৰি প্ৰথম ইনিংছ সমাপ্তিৰ ঘোষণা কৰে। ভাৰতৰ হৈ দেবদত্ত পাদিক্কলে ১১৭ আৰু ধ্ৰুৱ জুৰেলে ১১৫ ৰান কৰে। ভাৰত এই খেলখনত জয়ী হ'লে ২০২৫-২৭ বিশ্ব টেষ্ট চেম্পিয়নশ্বিপ ফাইনেলৰ দৌৰত চতুৰ্থ স্থানলৈ উন্নীত হ'ব। সম্প্ৰতি অষ্ট্ৰেলিয়া প্ৰথম, দক্ষিণ আফ্ৰিকা দ্বিতীয় আৰু নিউজিলেণ্ড তৃতীয় স্থানত আছে।

০০০০০

সমাপ্ত